# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

-------------------

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ সন্মিলনৰ আজি প্ৰথম দিনা সদস্য ৰাষ্ট্ৰসমূহে সৰ্বসন্মতিক্ৰমে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম দিনা সন্মিলনৰ অন্তিম সত্ৰৰ অন্তত এই ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ প্ৰস্তাৱ  দাখিল কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ সামৰণি মন্তব্যত কয় যে আজি গ্ৰহণ কৰা নতুন দিল্লী ঘোষণা পত্ৰই সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া সংকল্পক স্পষ্ট দিশ নিৰ্দেশনা দিব। তেওঁ কয় যে এতিয়া এই প্ৰস্তাৱসমূহক দৃঢ় ফলাফললৈ ৰূপান্তৰিত কৰাটো সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া দায়িত্ব।

বাইট-মোদী

শ্ৰীমোদীয়ে কয় যে আজিৰ আলোচনাৰ পৰা পুৰণি প্ৰতিষ্ঠানসমূহে যে পৰিৱৰ্তিত বিশ্বক পৰিচালনা কৰিব নোৱাৰে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ লগতে প্ৰতিনিধিত্ব, উত্তৰ দায়িত্ব আৰু নিয়ম প্ৰৱৰ্তন ব্যৱস্থাৰ সংস্কাৰ জৰুৰী হৈ পৰা বুলিও মন্তব্য কৰে।

ooooo

ৰাজ্যৰ হস্তুতাঁত, বস্ত্ৰ, দক্ষতা নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ উপস্থিতিত আজি যোৰহাটৰ চি কে বি বাণিজ্য মহাবিদ্যালয় প্ৰেক্ষাগৃহত দক্ষতা সজাগতা আৰু কেৰিয়াৰ অৰিয়েণ্টেচন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত চি এম ফ্লাইট, উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত দক্ষতা বিকাশ আৰু কেৰিয়াৰৰ সুযোগ অন্বেষণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে তিতাবৰৰ ৰেচম প্ৰশিক্ষণ প্ৰতিষ্ঠান পৰিদৰ্শন কৰি প্ৰশিক্ষণৰ অগ্ৰগতিৰ বুজ লয় আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। প্ৰশিক্ষাৰ্থীসকলক সম্বোধন কৰি শ্ৰীদৈমাৰীয়ে কাৰিকৰী দক্ষতাৰে নিজক স্বাৱলম্বী কৰি তুলিবলৈ তেওঁলোকক আহ্বান জনায়। এই পৰিদৰ্শন কালত ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ প্ৰতাপ কছাৰী, তিতাবৰৰ বিধায়ক ধীৰাজ গোৱালাকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

oooooo

সোণাপুৰত জুবিন ক্ষেত্ৰ নিৰ্মাণ সমিতিৰ বিষয়ববীয়াৰ সৈতে আজি গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাস এখন বৈঠকত মিলিত হয়। বৈঠকত জুবিন ক্ষেত্ৰৰ নিৰ্মাণ সমিতিৰ হৈ গৰিমা শইকীয়া গাৰ্গ, পাৰ্থপ্ৰতীম গোস্বামী, ৰাজেশ ভূঞা আৰু জয়ন্ত কাকতী উপস্থিত থাকে। এই আলোচনাত ১৯ ছেপ্তেম্বৰত জুবিন দিৱস উদযাপন সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত গৰিমা শইকীয়া গাৰ্গে কয় যে কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত ১৭ ছেপ্তেম্বৰৰ পৰা তিনি-দিনীয়াকৈ জুবিন দিৱস উদযাপন কৰা হ'ব। ১৭ ছেপ্তেম্বৰত সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, ১৮ ছেপ্তেম্বৰত সাংস্কৃতিক অনুষ্ঠান, ১৯ ছেপ্তেম্বৰত গুৰু আসন প্ৰতিস্থা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা হ'ব বুলিও শ্ৰীমতী গাৰ্গে প্ৰকাশ কৰে। তেওঁ লগতে ১৯ ছেপ্তেম্বৰৰ দিনটো জুবিন গাৰ্গৰ স্মৃতিচাৰণ নহয় বৰং তেওঁৰ সৃষ্টিৰাজি উদযাপন কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ পৰা **জুবিন গাৰ্গৰ গানৰ সাংগীতিক বৈশিষ্ট্য আৰু বিবিধতা** শীৰ্ষক দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী জে পি দাস, কবি-লেখক তথা সাংস্কৃতিক সমালোচক সমুদ্ৰ কাজল শইকীয়া আৰু সংগীত শিল্পী তথা আকাশবাণীৰ ঘোষক ভাস্কৰজ্যোতি আচাৰ্যই ভাগ লয়। আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক আন

এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব।

০০০০০

ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ ভাষা সাহিত্যৰ সমস্যাসমূহ আন্তৰিকতাৰ সমাধান কৰাৰ বাবে অসম সাহিত্য সভাই দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিব বুলি সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে প্ৰকাশ কৰিছে। আজি সভাৰ মংগল চণ্ডী ব্ৰহ্ম ভাষা সাহিত্য গৱেষণা কেন্দ্ৰ আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত ওদালগুৰিত অনুষ্ঠিত জনগোষ্ঠীয় সমাৰোহ উদ্বোধন কৰি ড০ গোস্বামীয়ে এই কথা প্ৰকাশ কৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম সাহিত্য সভাৰ ষষ্ঠ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অধিবেশন আৰু জনগোষ্ঠীয় সমাৰোহৰ আজি পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাইলৈ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব।

০০০০০

অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত আজি জলাতংক ৰোগৰ প্ৰতিষেধক অভিযান আৰম্ভ কৰা হয়। ডিব্ৰুগড় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত পশু কল্যাণমূলক বেচৰকাৰী সংস্থাৰ স্বেচ্ছাসেৱকসকলে এই অভিযান সম্পন্ন কৰে। উল্লেখযোগ্য যে পূৰ্বেও ৭০ টাৰো অধিক কুকুৰক টিকাকৰণ কৰাৰ পাছত আজি অসম চিকিৎসা মহাবিদ্যালয় চৌহদৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানত ২০ টাতকৈ অধিক কুকুৰক এই টিকা দিয়া হয়। পশু কল্যাণ আৰু জনসুৰক্ষাৰ বাবে চিকিৎসালয় চৌহদত চলোৱা এই জলাতংক প্ৰতিৰোধী টিকাকৰণ অভিযানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০০

ডিব্ৰুগড়ৰ আমোলাপট্টিৰ ৬ নম্বৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লালীৰতী গগৈ দেউৰীৰ কালি ডিব্ৰুগড়ৰ চিৰিং চাপৰিৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যু সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ।

০০০০০

সমাপ্ত